**63/1 (SEM–4) ASM HG 4046/**
**ASM RC 4046 (GE 4/DSE 1D)**

**2022**

ASSAMESE

Paper : GE–4/DSE–1D

**( Study on Culture of Assam )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) 'Culture' শব্দটো তলৰ কোনটো ভাষাৰ পৰা আহিছে ?

(i) লেটিন

(ii) গ্ৰীক

(iii) জাপানীজ

(iv) স্পেনিচ

(খ) তলৰ কোনটো বাঁহকেন্দ্ৰিক লোকউৎসৱ নহয় ?

(i) ভঠেলি

(ii) পাউৰাতোলা

(iii) সুৰেৰি

(iv) আমতি

(গ) 'খুৰীয়া' তিৰোতাসকলে কোনটো অংগত পিন্ধে ?

(i) হাতত

(ii) ভৰিত

(iii) কাণত

(iv) ডিঙিত

(ঘ) 'হাইদাংগীত' অসমৰ কোনটো জনগোষ্ঠীৰ মাজত প্ৰচলিত ?

(i) সোণোৱাল কছাৰী

(ii) বড়ো

(iii) ৰাভা

(iv) কাৰ্বি

(ঙ) 'বৈসাগু' উৎসৱ কোনটো জনগোষ্ঠীয়ে পালন কৰে ?

(i) কাৰ্বি

(ii) ৰাভা

(iii) বড়ো

(iv) কোচ-ৰাজবংশী

(চ) তলৰ কোনবিধ খেল অসমৰ থলুৱা খেল-ধেমালিৰ অন্তৰ্গত ?

(i) ফুটবল

(ii) ক্ৰিকেট

(iii) টেনিচ

(iv) ঢোপ খেল





২। তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'প্ৰাগজ্যোতিষ' শব্দৰ অৰ্থ লিখা।

(খ) মৌখিক সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(গ) আহোম যুগত প্ৰচলিত দুবিধ খেল-ধেমালিৰ নাম লিখা।

(ঘ) বড়ো জনগোষ্ঠীৰ দুবিধ লোকবাদ্যৰ নাম লিখা।

(ঙ) নামনি অসমত প্ৰচলিত দুবিধ লোকনাট্যানুষ্ঠানৰ নাম লিখা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) প্ৰচীন অসমৰ অধিবাসী সম্পৰ্কে এটি টোকা লিখা।

(খ) বৰষুণ নহ'লে পালন কৰা লোকাচাৰসমূহৰ বিষয়ে লিখা।

(গ) অসমীয়া সংস্কৃতিত জাপি আৰু শৰাইৰ স্থান সম্পৰ্কে চমুকৈ লিখা।

(ঘ) চমাংকান আৰু ফাৰকান্তি অনুষ্ঠান দুটিৰ বিষয়ে চমুকৈ লিখা।

(ঙ) অসমীয়া সমাজৰ আ-অলংকাৰ সম্পৰ্কে চমুকৈ লিখা।

(চ) 'কুশানগান' নামনি অসমৰ কোনটো অঞ্চলত প্ৰচলিত ? অনুষ্ঠানটোৰ বিষয়ে চমুকৈ লিখা।

(ছ) অসমৰ খাদ্যসম্ভাৰত খাৰ আৰু টেঙাৰ ব্যৱহাৰ সম্পৰ্কে এটি টোকা লিখা।

(জ) আহোম যুগৰ স্থাপত্য সম্পৰ্কে এটি টোকা লিখা।

(ঝ) কাৰ্বি জনগোষ্ঠীৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) 'অসমৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতি'—এই শীৰ্ষক এটি আলোচনা যুগুত কৰা।

(খ) অসমৰ সমাজ জীৱনত লোকঔষধৰ জৰিয়তে কেনেদৰে চিকিৎসা প্ৰদান কৰি অহা হৈছে, আলোচনা কৰা।

(গ) বড়ো জনগোষ্ঠীৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) অসমীয়া সমাজত প্ৰচলিত বিবাহ অনুষ্ঠানৰ সৈতে জড়িত লোকাচাৰসমূহৰ বিষয়ে আলোচনা কৰা।

(খ) অসমৰ লোকনৃত্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

★★★